**১৪ নং প্রশ্নৰ উত্তৰঃ** আয়কৰ শুল্ক, মুদ্রাংক শুল্ক, অনুজ্ঞাপত্র শুল্ক, আদি।

**১৫ নং প্রশ্নৰ উত্তৰঃ** লেফটেনেন্ট ছিংগাৰ, এগৰাকী কনিষ্ঠ সহকাৰী আয়ুক্ত।

**১৬ নং প্রশ্নৰ উত্তৰঃ** ১৮৬৩ চনত।

**১৭ নং প্রশ্নৰ উত্তৰঃ** জে. ডি. এণ্ডাৰছন

**১৮ নং প্রশ্নৰ উত্তৰঃ** পথৰুঘাটৰ বিদ্রোহক দলি ৰণ বুলি জনা যায়, কিয়নো ইয়াৰ জনসাধাৰণে বৃটিছৰ বিৰুদ্ধে নিজৰ ক্ষোভ দৰঙৰ উপায়ুক্ত জে. ডি. এণ্ডাৰছনৰ ওপৰত মাটিৰ চপৰা নিক্ষেপ কৰি প্রকাশ কৰিছিল।



## ১০.৭ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** মণিৰাম দেৱানৰ প্রকৃত নাম কি?

**প্রশ্ন ২ঃ** মণিৰাম দেৱানৰ কলিকতালৈ কিয় গৈছিল?

**প্রশ্ন ৩ঃ** ১৮৫৭ চনৰ বিদ্রোহ অসমত বিফল হোৱাৰ দুটা কাৰণ দর্শাৰক।

**(খ) চমু প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** অসমত সংঘটিত ১৮৫৭ চনৰ বিদ্রোহৰ কাৰণসমূহ উল্লেখ কৰক।

**প্রশ্ন ২ঃ** পিয়লি বৰুৱাৰ ওপৰত এটি চমুটোকা লিখক।

**(গ) ৰচনাধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** অসমত ১৮৫৭ চনৰ বিদ্রোহৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ২ঃ** অসমত ১৮৫৭ চনৰ বিদ্রোহ সংঘটিত কৰা পৰিস্থিতিৰ ব্যাখ্যা কৰক।

*** ***** ***